
# মাদকাসক্তৰ বৰ্ণিল জগতখন



অন্বেষণ ॥ জিতুমণি পাঠক

**ব্ৰহ্মাৰ** অভিশাপৰ পৰা হাত সাৰিবলৈ মই দৌৰিছো নিৰন্তৰ এছিয়াৰ ঘন অৰণ্যৰ মাজে মাজে। বিষ্ণুৱেও মোক ঘৃণা কৰে। শিৱয়ো মোক ধ্বংস কৰাৰ অভীপ্সাৰে শুই শুই অপেক্ষা কৰি আছে। ...মোক সমাধিস্থ কৰা হৈছিল। এহেজাৰ বছৰ হ'ল শিলৰ কফিনৰ মাজত শুই থকা। মোৰ কাষত শায়িত অৱস্থাত পৰি আছে স্ফিংক্স আৰু মামিবোৰ। শাশ্বতকালীন পিৰামিডৰ এটা ক্ষুদ্ৰ কুঠৰীত মই দিন কটাবলগীয়া হৈছে। মোক চুম্বন কৰা হৈছিল। কেন্সাৰৰ চুম্বন। ঘঁৰিয়ালৰ ওঁঠে মোৰ ওঁঠক স্পৰ্শ কৰিছিল। বিবৃক্তিকৰ জলাহভূমি আৰু নীল নদীৰ পংকিলতাৰ মাজত অবৰ্ণনীয় পীড়া বহন কৰি মই বন্দী হৈ আছো।'

নিঃসন্দেহে এয়া কিছুমান অসংলগ্ন প্ৰলাপ। কিন্তু কল্পনাৰ কি যে অপূৰ্ব বাহাৰ। প্ৰথমৰ পৰা শেষলৈ ভৰ কৰিছে অদ্ভূত ফেণ্টাচীয়ে। স্বাভাৱিক মানৱৰ বাবে এনে কল্পনা অসম্ভৱ। ইয়াত কল্পনাই পাখি মেলিছে সীমাৰ পৰিধি ভেদি অসীমলৈ। ক্ষণে ক্ষণে সলনি হৈছে প্ৰেক্ষাপট। পাৰ্থিৱ আৰু অপাৰ্থিৱ জগতৰ সীমাৰেখা অস্পষ্টতাত লীন গৈছে। সকলো এক হৈ পৰিছে নিয়ন্ত্ৰণহীন কল্পনাৰ দৌৰত। কাৰ বাবে বাৰু ...ন কল্পনা সম্ভৱ! ওপৰৰ উদ্ধৃতি 'কনফেচনছ্ অব্ ইংলিছ অ'পিয়াম ইটাৰ' শীৰ্ষক কিতাপ এখনিৰ ...। লোৱা। এৰা, কল্পনাৰ এই দৌৰাত্ম্যৰ নেপথ্যত ...য়া কৰিছে মাদক দ্ৰব্যৰ অফুৰন্ত শক্তিয়ে। এগৰাকী ...দকাসক্ত ব্যক্তিৰ বাবেহে সম্ভৱ এনে এক ...ণ্টাচীৰ, উদ্ভট কল্পনাৰ, চমৎকাৰ বৰ্ণনাৰ। ...তেওঁলোকৰ তুলনাত আমাৰ কল্পনা শক্তিয়ে যেন শীৰ্ণকায় ৰূপ ধাৰণ কৰে, বিক্ত হৈ পৰে। আমাৰ সীমাবদ্ধতাত লজ্জাত নত কৰিবলগা হয় মূৰ।

আমি ঢুকি পোৱাতকৈ বহু বেছি বৰ্ণময় মাদকাসক্তৰ কল্পনাৰ জগতখন। ইয়াৰ সুতীব্ৰ আকৰ্ষণত চগাৰ দৰে জাহ গৈছে অকালতে বহু প্ৰতিভাৱান কবি-সাহিত্যিক। সকলো জানিও কোনেও ইয়াৰ আমন্ত্ৰণক যেন নেওচা দিব নিবিচাৰে। কাৰণ সকলোৰে অৱচেতন মনত ক্ৰিয়া কৰে এক বিলাসে— স্বপ্ন দেখাৰ বিলাস। অদ্ভুত, অবাস্তৱ, নিয়ন্ত্ৰণহীন স্বপ্ন। চোকা মাদক দ্ৰব্যৰ প্ৰয়োগে শৰীৰত তোলে শিহৰণ, লগে লগে জাগ্ৰত হৈ উঠে অসংখ্য অনুভূতি, যি ব্যাপ্ত কৰে কল্পনাৰ পৰিমণ্ডল। স্বাভাৱিক অৱস্থাত জনাটো সম্ভৱ নহয় যে আমাৰ স্বপ্ন দেখাৰ ক্ষমতানো কিমান। মাদক দ্ৰব্যই যেন অস্পৰ্শিত জগতখন যাদুকৰী প্ৰভাৱৰে জীৱন্ত কৰি তোলে। প্ৰখ্যাত ফৰাচী কবি ব্যদ লেয়াৰে এই পাৰ্থিৱ জগতখনৰ পৰা অপাৰ্থিৱ জগতখনলৈ গতি কৰিবলৈ মাদক দ্ৰব্যক এক সেতু হিচাপে বিবেচনা কৰিছিল। তেওঁৰ মতে মাদকৰ প্ৰতিক্ৰিয়াৰ উপলব্ধি বা অনুভূতি একান্তই ব্যক্তিগত। প্ৰত্যেকৰে অভিজ্ঞতা ভিন্ন অথচ বৈচিত্ৰ্যৰ ক্ষেত্ৰত ই অনুপম। কোকেইনসেৱী এই বিখ্যাত কবিগৰাকীয়ে তেওঁৰ ধ্ৰুপদী গ্ৰন্থ 'লেঁ পাৰ্টি আৰ্টিফিছিয়েল'ত নিজৰ উপলব্ধি এইদৰে ব্যক্ত কৰিছিল, 'কোকেইনে লাহে লাহে জাগতিক সভাত আনি দিয়ে অন্তিম চিন্তা-ভাৱনা। চূড়ান্ত বিস্ফোৰণ ঘটে স্বপ্নৰ জগতখনত। কেতিয়াবা কেতিয়াবা ভাব হয়— ময়েই যেন ঈশ্বৰ।'

ব্যদ লেয়াৰৰ দৰে আন এগৰাকী মাদকদ্ৰব্যত আসক্ত আমেৰিকান লিখক, কবি বেয়াৰ্ড টেলৰে নিজৰ ওপৰত মাদক দ্ৰব্যৰ বিভিন্ন প্ৰতিক্ৰিয়াসমূহ পৰীক্ষা কৰি চাইছিল। আৰু তাৰ ওপৰত ভিত্তি কৰিয়েই এইদৰে আগবঢ়াইছিল সেই বৰ্ণিল জগতৰ স্বৰ্ণিল বিৱৰণ— 'হঠাৎ মোৰ অনুভৱ হ'ল মই পিৰামিডৰ পাদদেশত থিয় হৈ আছো। সূৰ্যৰ স্বৰ্ণাভ আভাই পিৰামিডৰ দেৱালবোৰক সোণলৈ পৰিৱৰ্তিত কৰিছে... আৰব্য ৰজনীৰ অবাস্তৱ ৰূপকথাৰ দৰে। অনিৰ্বচনীয় পুলকত মই নিজকে হেৰুৱাই পেলাইছো ক্ৰমশঃ।' ফ্ৰয়েডৰ দৰে বিশ্বখ্যাত মনোবিদেও অৱসাদ আৰু স্নায়ুবৈকল্যত ভোগাৰ সময়ত মাদকৰ জৰিয়তে নিজৰ চিন্তাৰ জগতখনক পুনৰ উজ্জীৱিত কৰিছিল।

মাদক দ্ৰব্যৰ পৃষ্ঠপোষক এইসকল প্ৰসিদ্ধ ব্যক্তিৰ মতে ইয়াত নিহিত হৈ আছে এনে এক গোপন শক্তি, যিয়ে প্ৰদান কৰে তীক্ষ্ণ অন্তৰ্দৃষ্টি, বঢ়াই তোলে মানসিক সংবেদনশীলতা। সেয়েহে সাধাৰণ মানুহৰ দৃষ্টিত যিবোৰ বস্তু তুচ্ছ, নগণ্য, কবি-সাহিত্যিকে তাক প্ৰদান কৰে অসাধাৰণত্ব। তেওঁলোকৰ সৃজনশীলতাত সি লাভ কৰে অমৰত্ব, হৈ পৰে চিৰজ্যোতিস্মান। মাদকৰ প্ৰতিক্ৰিয়াত সাধাৰণ বস্তু এটাও বৰ্ণময় হৈ ধৰা দিয়ে তেওঁলোকৰ ওচৰত। এই প্ৰসংগত বিখ্যাত লিখক আলুড্যুচ হাক্সলিয়ে তেওঁৰ 'দুৱৰছ টু পাৰছেপশ্বন' নামৰ গ্ৰন্থখনত এবিধ মাদকৰ বিষয়ে আগবঢ়োৱা মন্তব্যটো উল্লেখ কৰিব পাৰি। তেওঁৰ মতে 'সেই মাদকবিধ গ্ৰহণ কৰাৰ পিছত ই ৰঙৰ গভীৰতা বঢ়াই তোলে। বৰ্ণ বিভাজনৰ সূক্ষ্ম ক্ষমতা আৰু বৃদ্ধি পায়। চকুৰ সন্মুখত ভাহি উঠে অতিজাগতিক অত্যুজ্জ্বল ৰঙৰ খেলা।' ৰঙৰ এই বৈচিত্ৰৰ খেলখন জানো সাধাৰণ মানুহৰ দৃষ্টিৰে দেখাটো সম্ভৱ! এলেন ৱাটৰ দৰে ধৰ্মীয় যাজক এজনেও মাদকাসক্ত অৱস্থাত হোৱা তেওঁৰ উপলব্ধিৰ বিষয়ে লিখিছে, 'হঠাৎ মোৰ উপলব্ধি হ'ল যেন মই সকলো জটিলতাৰ পৰা মুক্ত হৈ পৰিছো। মোৰ সমগ্ৰ সত্তা যেন মোৰ চকুত পৰিস্ফুত হৈ উঠিছে। স্বাভাৱিকভাৱেই পৰিৱৰ্তিত হৈছে বিশ্ব সম্পৰ্কে সামগ্ৰিক চেতনা। আচৰিত হওঁ— জীৱনক কিয় ইমানদিনে সমস্যাপূৰ্ণ আৰু ৰহস্যময় বুলি ভাবিছিলো। আজি ইচ্ছা হয় সকলোকে যেন আঁকোৱালি ধৰি কওঁ— শুনাহক, মোৰ হাতত জীৱনৰ বহুতো অজান, গোপন তথ্য জমা হৈ আছে।' জীৱনৰ সকলো ৰহস্য বুজি উঠা বুলি ধাৰণা এটা তেওঁলোকৰ মনত সৃষ্টি হোৱা বাবে এক উচ্চাত্মিকাবোধে অহৰহ তেওঁলোকৰ মনত ক্ৰিয়া কৰি থাকে। যাৰ বাবে মাদক গ্ৰহণ নকৰাসকলক তেওঁলোকে গণ্য কৰে এক নিম্নস্তৰৰ জীৱ হিচাপে, যাৰ জাগতিক চেতনাৰ পৰিধি কেতিয়াও বিস্তৃত নহয়।

মাদকাসক্তিৰ বিয়োগাত্মক দিশ সকলোৰে জ্ঞাত, আলোচনাৰ নিষ্প্ৰয়োজন। কিন্তু আশ্চৰ্যজনক কথা যে মাদকাসক্তিৰ প্ৰভাৱৰ পৰা মুক্ত বহুজনে ইয়াৰ বাবে অনুশোচনা কৰা দেখা নাযায়। বেয়াৰ্ড টেলাৰ মাদক দ্ৰব্যৰ প্ৰভাৱৰ পৰা মুক্ত হোৱাৰ পিছতো কৈছিল, 'মানুহে যদি কল্পনাৰ মহাকাশৰ সুদূৰতম কোণটোলৈ পাখি মেলি দিব বিচাৰে, তেন্তে মাদক দ্ৰব্যৰ সহায় ল'বই লাগিব। মানুহক ইচ্ছাশক্তি আৰু যুক্তিৰ গভীৰতাই কিমানদূৰ নিয়ন্ত্ৰণ কৰে সেয়া মাদক দ্ৰব্যৰ সংস্পৰ্শলৈ আহিলেহে বুজাটো সম্ভৱ।' পিছৰ জীৱনছোৱাত মাদক দ্ৰব্য নিৰ্মূলৰ বাবে অহৰহ প্ৰচেষ্টা চলোৱা বেয়াৰ্ড টেলৰ এই উক্তি মানুহক মাদক দ্ৰব্যৰ প্ৰতি প্ৰৰোচিত কৰা নিশ্চয় নহয়, মাত্ৰ একঘেয়েমীৰ পৰা মুক্ত হৈ জীৱনক নতুন দৃষ্টিৰে চাবলৈ দিয়া এক বিকল্প পথৰ সন্ধানহে। মাদক দ্ৰব্যৰ দাসত্ব স্বীকাৰ নকৰাকৈ এই অতিজাগতিক জগতখনত এবাৰ বিচৰণ কৰাৰ হেঁপাহ নিশ্চয় সকলোৱে অনুভূত হয়। কিন্তু এই বৰ্ণিল জগতখনৰ নান্দনিক সৌন্দৰ্য উপভোগ কৰিবলৈ প্ৰয়োজন হ'ব



এটা সংবেদনশীল, দৃঢ় ইচ্ছা শক্তিসম্পন্ন কলাসুলভ মনৰ। নহ'লে অতিলৌকিকতাৰ মোহে আমাৰ কাণ্ডজ্ঞানহীনতাক প্ৰভু সজাই তাৰ দাসত্ব স্বীকাৰ কৰিবলৈ বাধ্য কৰাব আমৃত্যু।

হ'ল আধান সংযোজন ... চুম্বকীয় বল, সবল আৰু দুৰ্বল